**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-10-2024 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

শাৰদীয় দুৰ্গা পূজাৰ আজি সপ্তমী উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক উৎসাহ-উদ্দীপনা বিৰাজ কৰিছে। পূজা মণ্ডপসমূহত আজি যথাবিহিত ৰীতি-নীতিৰে সপ্তমী পূজা কৰা হৈছে। পূজাথলীসমূহত পুৱাৰেপৰাই বহুলোকৰ সমাগম হোৱা পৰিলক্ষিত হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আটকধুনীয়াকৈ সজোৱা পূজা মণ্ডপসমূহ নানাৰঙী আলোকসজ্জাৰে সজ্জিত কৰি তোলা হৈছে। পূজাৰ মন্ত্ৰোচাৰণ, আয়তীৰ উৰুলি, ঢাক-শংখধবনিয়ে মাংগলিক তথা আধ্যাত্মিক পৰিৱেশৰ সৃষ্টি কৰিছে। লোকবিশ্বাস অনুসৰি দেৱী দুৰ্গাক আবাহন আৰু বোধনৰ জৰিয়তে অশুভ শক্তিৰ বিনাশ কৰা হয়। আনহাতে, বিভিন্ন অপায়-অমংগল, দুৰ্যোগ বিভীষিকা নাশ কৰি শান্তি আৰু সমৃদ্ধিৰ প্ৰাৰ্থনাৰে ভক্তসকলে দেৱী দুৰ্গাৰ চৰণত পূজা-অৰ্চনা আগবঢ়ায়। সপ্তমীৰ দিনটোত দেৱী দুৰ্গাক কালৰাত্ৰিৰ ৰূপত আৰাধনা কৰা হয়।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি **চিৰাং** জিলাৰ তিনিখনকৈ পূজা মণ্ডপত উপস্থিত থাকি দেৱীৰ আশিস লোৱাৰ লগতে সন্ধিয়ালৈ জিলাখনৰ ইতিহাস প্ৰসিদ্ধ বিজনী চহৰত নিৰ্মাণ কৰা লক্ষ্মী মন্দিৰ উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰথমে কোকৰাঝাৰ জিলা ভ্ৰমণ কৰি চিৰাঙৰ বাসুগাঁও চহৰৰ পূজাথলীত উপস্থিত হৈ পৰৱৰ্তী সময়ত বঙাইগাঁও চহৰৰ কেইবাখনো পূজা মণ্ডপলৈ যাব।

**গুৱাহাটী** মহানগৰীৰ চাৰি শতাধিক পূজাথলীত শাৰদীয় পূজা উপলক্ষে উলহ-মালহৰ পৰিৱেশে বিৰাজ কৰিছে। পূজাথলীসমূহৰ লগতে দোকান-বজাৰসমূহতো অগণন লোকৰ সমাগম পৰিলক্ষিত হৈছে। মহানগৰীৰ ভাস্কৰ নগৰ পূজা সমিতিয়ে জগন্নাথ পুৰী, আঠগাঁও পূজা সমিতিয়ে মহাভাৰতৰ ইন্দ্ৰপ্ৰস্থ, পাণ্ডুৰ ৰেষ্ট কেম্প পূজা সমিতিয়ে জয়পুৰ দুৰ্গ আদিৰ আৰ্হিৰে নিৰ্মাণ কৰা পূজা মণ্ডপে জনসাধাৰণক আকৰ্ষণ কৰিছে।

ইপিনে, ৰাজ্যৰ অন্যান্য জিলাসমূহতো দুৰ্গা পূজা উপলক্ষে ব্যাপক আয়োজন কৰা হৈছে। ৰাজহুৱা পূজাৰ লগতে ব্যক্তিগতভাৱেও ভালেসংখ্যক পূজাৰ আয়োজন কৰা হৈছে। ইতিহাস প্ৰসিদ্ধ দেৱালয়সমূহতো নৱৰাত্ৰিৰ প্ৰথম দিনাৰে পৰা যথাবিহিত ৰীতি-নীতিৰে দেৱী দুৰ্গাৰ পূজা-অৰ্চনা চলি আছে।

**চৰাইদেউ** জিলাত দুৰ্গা পূজাক কেন্দ্ৰ কৰি উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। জিলাখনৰ সোণাৰি নগৰ আৰু দাঁতিকাষৰীয়া অঞ্চলত মুঠ ১০৩ খন পূজা অনুষ্ঠিত হৈছে। বিভিন্ন স্থানত নিৰ্মাণ কৰা দৃষ্টিনন্দন মণ্ডপসমূহে সকলোকে আকৰ্ষিত কৰিছে। এই বিষয়ে আমাৰ সংবাদদাতা নবুল কোঁৱৰৰ এক প্ৰতিবেদন –

(ভইচ)

**বজালী** জিলাৰ বিভিন্ন অঞ্চলৰ লগতে গড় বজাৰত পাঁচদিনীয়া কাৰ্যসূচীৰে পূজাৰ আয়োজন কৰা হৈছে। পূজাৰ কাৰ্যসূচীৰ অংশ হিচাপে দিহানাম প্ৰতিযোগিতা নৃত্যানুষ্ঠান আৰু সাংস্কৃতিক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে।

**বৰপেটা** জিলাত কালিৰেপৰা পূজাথলীসমূহত অগণন লোকৰ সমাগম হোৱা পৰিলক্ষিত হৈছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে কালি সন্ধিয়া বৰপেটা ৰোডৰ দুখন পূজা উদ্বোধন কৰে। মন্ত্ৰীগৰাকীয়ে বৰপেটা ৰোড ৰে’ল ষ্টেচন আৰু শক্তিনগৰৰ দুৰ্গা পূজাৰ উদ্বোধন কৰি দেৱীৰ চৰণত সেৱা জনাই পূজাৰ অন্তৰ্নিহিত উদ্দেশ্যই সমাজত শান্তি-সম্প্ৰীতি আৰু একতাৰ বান্ধোন সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে।

**বাক্সা** জিলাৰ চাপাগুৰি আৰু ককলাবাৰী মৌজাক সামৰি স্থাপিত ঐতিহ্যমণ্ডিত শ্ৰীশ্ৰীকুঁজিদেওৰ দেৱালয়ত কালিৰেপৰা শাৰদীয় পূজা অনুষ্ঠিত হৈছে। এই উপলক্ষে স্বচ্ছতা অভিযান, মুখ্য দ্বাৰ উদ্ঘাটন, পতাকা উত্তোলন আৰু গছপুলি ৰোপণ কৰা হৈছে।

**গোৱালপাৰা** জিলাৰ শাৰদীয় পূজাৰ সপ্তমী উপলক্ষে আজি পুৱাৰে পৰাই উখল-মাখল পৰিৱেশৰ সৃষ্টি হৈছে। এইবেলি জিলাখনত ১৩৬ খন পূজা মণ্ডপত পূজা অনুষ্ঠিত হৈছে। জিলাখনৰ ৰংজুলি পূজা সমিতিয়ে বিজয়া দশমীৰ দিনা পূৰ্বৰ দৰে ৰাৱণ বধৰ কাৰ্যসূচী গ্ৰহণ কৰিব।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত কেন্দ্ৰীয় কেবিনেটে প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনা আৰু অন্যান্য কল্যাণকামী আঁচনিকে ধৰি চৰকাৰৰ সকলো আঁচনিৰ অধীনত বিনামূলীয়া পুষ্টিকৰ চাউলৰ যোগান জুলাইৰ ২০২৪ৰ পৰা ডিচেম্বৰ ২০২৮ লৈ অব্যাহত ৰখাত অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ অন্ন যোজনাৰ অংশ হিচাপে ভাৰত চৰকাৰৰ এশ শতাংশ পুঁজিৰে এই পুষ্টিকৰ চাউলৰ যোগানৰ পদক্ষেপ

অব্যাহত থাকিব। এই অনুসৰি দেশত পুষ্টি সুৰক্ষাৰ প্ৰয়োজনীয়তা সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে ৭৫ সংখ্যক স্বাধীনতা দিৱসত দিয়া ভাষণৰ লগতে সংগতি ৰাখি দেশত ৰক্তহীনতা আৰু অপুষ্টি দূৰ কৰিবলৈ এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। ২০১৯ চনৰ পৰা ২০২১ চনৰ ভিতৰত কৰা ৰাষ্ট্ৰীয় পৰিয়াল স্বাস্থ্য সমীক্ষা অনুসৰি ভাৰতত ৰক্তহীনতাই সমাজৰ ব্যাধি হৈ আছে, যি বিভিন্ন বয়সৰ শিশু, মহিলা আৰু পুৰুষক আক্ৰান্ত কৰিছে। এই ৰক্তহীনতাৰ বিৰুদ্ধে যুঁজ দিবলৈ পুষ্টিকৰ চাউলৰ বিতৰণৰ পদক্ষেপ লোৱা হৈছে।

০০০০০০০

বাক্সা জিলাৰ শালবাৰী মহকুমাৰ অন্তৰ্গত ফাটেমাবাদ চাহ বাগিচাত কালি ২০ শতাংশ প্ৰাপ্য ব'নাচৰ দাবীত বাগিচা কৰ্তৃপক্ষৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত কৰা চাহ শ্ৰমিকক আৰক্ষীয়ে লাঠীচালনা কৰে। আৰক্ষীৰ লাঠীচালনাত এগৰাকী শ্ৰমিক গুৰুতৰভাৱে আহত হোৱাৰ লগতে আনকেইবাগৰাকী শ্ৰমিক আঘাতপ্ৰাপ্ত হয়। বাগিচা কৰ্তৃপক্ষ আৰু অসম চাহ মজদুৰ সংঘ ফাটেমাবাদ চাহ বাগিচা সমিতিয়ে শ্ৰমিক সকলক ২০ শতাংশ ব'নাচৰ পৰিৱৰ্তে ৮ শতাংশ ব'নাচ প্ৰদান কৰাত শ্ৰমিকসকলে অমান্তি হৈ প্ৰতিবাদ সাব্যস্ত কৰিছিল। নিজৰ প্ৰাপ্যৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ ওলাই অহা শ্ৰমিকসকলক আৰক্ষীয়ে লাঠীচালনা কৰা কাৰ্যক লৈ ভুক্তভোগী শ্ৰমিকসকলে ক্ষোভ প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**